بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বিৰোধীসকলৰ অভিযোগৰ উত্তৰ তথা চ’ছিয়াল মিডিয়াক সঠিক পদ্ধতিত ব্যৱহাৰ কৰাৰ বাবে গুৰুত্বপূৰ্ণ উপদেশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৬ জুন ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজিকালি য’ত চ’ছিয়াল মিডিয়াৰ পৰা লাভ আৰু উপকৃত হয় তাতে কিছুমান এনেকুৱা কথাও আহি যায় যি দুখজনক; ইয়াৰে জৰিয়তে বৰ্তমান জামাত আহমদীয়াৰ বিৰুদ্ধে আজেবাজে কথাৰ আলোচনা হৈ থাকে। হজৰত মছীহ মাওউদ (আঃ)ৰ বিৰুদ্ধে এনেদৰে মিছা আৰু নিন্দনীয় কথা কৈ থাকে যাৰ ফলত আহমদী সকল হৃদয়বিদাৰক হৈ পৰে; সেই কথাবোৰ শুনি কিছুমান আহমদীসকলে প্ৰতিক্ৰিয়া দিবলৈ গৈ ইয়াৰ উত্তৰ ভুল ভাৱে দিয়ে। সিহঁতৰ নিয়ত পৰিষ্কাৰ হলেও তথাপি কেতিয়াবা এনেকুৱা শব্দ তেওঁলোকৰ পৰা ওলাই আহে যাৰ ভুল অৰ্থ বিৰোধীসকলে কৰিব পাৰে। এইবোৰ আমাৰ পদ্ধতি নহয়, এজন আহমদীয়ে ইয়াক পৰিহাৰ কৰা উচিত। আমাৰ কাম ভুল ভাষা প্ৰয়োগ কৰা নহয়; এনেদৰেও উত্তৰ দিয়া উচিত নহয় যে আমাৰ মুখৰ পৰা অজানিতে ভুল শব্দ নিৰ্গত হৈ কাৰো বদনাম কৰাৰ কাৰণ হৈ পৰে, আৰু বিৰোধীসকলে তাৰে সুযোগ লৈ এয়া কৈ থাকিব যে নাউজুবিল্লাহ আমি আঁহজৰত (ছাঃ)ৰ অপমান কৰো, বৰঞ্চ আমাৰ হৃদয়ত তেখেত (ছাঃ) আৰু চাহাবা সকলৰ মৰ্যদাৰ প্ৰতি যি কৌটি কৌটি ভাগ ভালপোৱা আছে বিৰোধীসকলে সেই কথা বুজি নাপায়। আমাৰ সকলো কিছু আঁহজৰত (ছঃ)ৰ ওপৰতেই বিসৰ্জন দিওঁ। তেখেত সেই খাতামান নবী হয় যিজন আল্লাহ তা’লাৰ প্ৰিয় আৰু

নবীসকলৰ মোহৰ। তেখেত (ছাঃ)ৰ সংগী আৰু চাহাবা সকলৰ বিষয়ে হজৰত মছীহ্ মাওউদ (আঃ)য়ে অসংখ্য ঠাইত সেই কথাবোৰ কৈছে যিবোৰ আমাৰ বিৰোধীসকলে আলোচনা কৰা কথাৰ পৰা বহু ওপৰত।

আমাৰ হৃদয়ত কেৱল আঁহজৰত (ছাঃ)ৰ প্ৰতি ভালপোৱা আছে, এনেকুৱা ভালপোৱা অইন কাৰো হৃদয়ত নাই, তেখেত (ছাঃ)ৰ চাহাবাসকলৰ প্ৰতি আমাৰ হৃদয়ত ভালপোৱা আছে। এই কথা প্ৰতিজন আহমদীয়ে সন্মুখত ৰখা উচিত; আৰু এনেকুৱা কথাৰ পৰা প্ৰতিজন আহমদীয়ে আঁতৰত থকা উচিত যিয়ে ভুল প্ৰভাৱ পেলায় বা ভুল প্ৰভাৱ পেলোৱাৰ আশংকা থাকে। কিছুমান আহমদীয়ে ভাৱে যে আমি উত্তৰ দি বৰ সন্মানৰ কাম কৰিছোঁ। যেতিয়া সিহঁতক সোধা হয় তেতিয়া তেওঁলোকৰ উত্তৰ হয় যে এওঁলোক নামধাৰী অজ্ঞ। কোনো আহমদীয়ে যেতিয়া এনেধৰণৰ কথা কয় যাৰ সুযোগ লৈ কোনো ভুল অৰ্থ ওলায় তেন্তে তেওঁলোকে হজৰত মছীহ্ মাওউদ (আঃ)আৰু জামাতৰ বদমান কৰে। হজৰত মছীহ্ মাওউদ (আঃ)য়ে কৈছে যে তোমালোকে ধৈৰ্য ধাৰণ কৰিবা আৰু সদায় ধৈৰ্য ধৰি থাকিবা। এঠাইত তেখেতে কৈছে, লোকসকলে মোক গালি-গালাজ কৰে কিন্তু মই সেই গালি-গালাজৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰো আৰু ইয়াৰ প্ৰতি দুখিতও নহওঁ, কাৰণ তেওঁলোকে এই মৰ্যাদাৰ পৰা নীচ হৈ পৰিছে। তেওঁলোকৰ নম্ৰতাই হৈছে গালি-গালাজ কৰা। এই দুষ্টসকলে ভিত্তিহীন অস্ত্ৰ প্ৰয়োগ কৰি আছে এইবোৰ এই কাৰণেই ব্যৱহাৰ কৰি আছে কাৰণ তেওঁলোকৰ ওচৰত কোনো দলিল নাই আৰু কোনো উত্তৰও নাই। এই লোকসকলে কেৱল গালি-গালাজ কৰি থাকে। তেখেতে কৈছে তেওঁলোকে কেৱল কাফিৰ ফতোৱা আৰোপ কৰে, মিছা গোচৰ তৰে আৰু ভিন্ন প্ৰকাৰ মিছা আৰু প্ৰৱঞ্চনা সাজি উলিয়ায়। তেওঁলোকে নিজৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰি মোৰ সৈতে মোকাবিলা কৰক আৰু চাওঁক যে শেষত কাৰ সপক্ষে সিদ্ধান্ত হয়। যিমান চেষ্টা কৰিবলগীয়া আছে কৰক কিন্তু আল্লাহ মোৰ লগতে আছে শেষত নিশ্চয় সিদ্ধান্ত হ'ব যে খোদা কাৰ সৈতে আছে। কৈছে যে তেওঁলোকৰ গালি-গালাজৰ প্ৰতি যদি গুৰুত্ব দিয়া তেন্তে খোদা তা'লাই তোমাৰ যি মূল কাম তোমাৰ অধীন কৰিছে সেয়া ৰৈ যাব। সেয়ে মই যিদৰে তেওঁলোকৰ গালি-গালাজৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰো সেইদৰে মই নিজৰ জামাতক উপদেশ দিওঁ যে তেওঁলোকৰ গালি-গালাজ শুনি ধৈৰ্য ধাৰণ কৰিবা, কেতিয়াও গালিৰ উত্তৰ গালিৰে নিদিব, এইদৰে কৰিলে কল্যাণ নাইকিয়া হৈ পৰে। ধৈৰ্য আৰু সহ্য কৰাৰ আদৰ্শ স্থাপন কৰিব আৰু নিজৰ আদৰ্শ দেখুৱাব। নিশ্চয় মনত ৰাখিবা যে বিবেক আৰু আক্ৰোশৰ মাজত ভয়ানক শত্ৰুতা আছে। যেতিয়া আক্ৰোশ আৰু খং উঠে তেতিয়া বিবেক বুদ্ধি স্থিৰ হৈ থাকিব নোৱাৰে; কিন্তু যিয়ে ধৈৰ্য ধাৰণ কৰে আৰু নম্ৰতা প্ৰদৰ্শন কৰে তেওঁক এটা পোহৰ প্ৰদান কৰা হয়, যাৰ ফলতে তেওঁৰ বিবেক বুদ্ধি আৰু চিন্তা চেতনাত শক্তিৰ এটা নতুন পোহৰ সৃষ্টি হয়, ইয়াৰ পিছত সেই পোহৰৰ পৰা আকৌ পোহৰ সৃষ্টি হয়। আক্ৰোশ আৰু খঙৰ সময়ত হৃদয় আৰু আত্মা অন্ধকাৰ হৈ পৰে, সেই কাৰণে অন্ধকাৰৰ

পৰা আৰু অধিক অন্ধকাৰ সৃষ্টি হয়।

গতিকে এইটো সেই শিক্ষা যাক সদায় মনত ৰখা উচিত; আৰু কিছুমান লোকসকলে নিজকে আলেম বুলি গণ্য কৰে আৰু অআহমদী সকলৰ যিবিলাক নামধাৰী মোল্লাসকলে আপত্তি কৰে চ'ছিয়াল মিডিয়াত আহমদী সকলে ইয়াৰ উত্তৰ দিয়া আৰম্ভ কৰে। আহমদী সকলে এনে উত্তৰ দিয়াৰ পৰা আঁতৰত থকা উচিত, যদি উত্তৰৰ সন্ধানত থাকে তেন্তে জামাতৰ বিজ্ঞ আলেমৰ পৰা জামাতী লিটাৰেচাৰৰ জৰিয়তে এনেকুৰা যুক্তিৰ সৈতে উত্তৰ দিব যিয়ে আপত্তিকাৰীৰ অভিযোগক খণ্ডন কৰিব পাৰে।

হজৰত মছীহ্ মাওউদ (আঃ)ৰ যি শিক্ষা সেয়া বাস্তৱতে ইছ্লামৰ সঠিক শিক্ষা, ইয়াৰ ওপৰত পৰিচালিত হ'ব, নতুবা আপোনালোকে জামাতত থাকিও জামাতৰ দুৰ্নাম কৰি আছে। আল্লাহ তা'লা আমাক দুষ্ট সকলৰ বেয়াৰ পৰা আঁতৰত ৰাখক, সেইসকলক বিবেক বুদ্ধি দান কৰক যিসকলে মিছা গৌৰৱ দেখুৱায় আৰু কেতিয়াবা বিনা কাৰণতে কিছুমান শব্দাৱলী ব্যৱহাৰ কৰি বিশৃংখলা সৃষ্টি কৰাৰ কাৰণ হৈ পৰে। আমি যদি চ'ছিয়াল মিডিয়াত উত্তৰ দিয়াৰ পৰিৱৰ্তে আল্লাহ্ তা'লাৰ ফালে নত হওঁ আৰু নিষ্ঠাৰ সৈতে নামাজ আদায় কৰো তথা ছিজদাত সেই উৎসাহ সৃষ্টি কৰো যাৰ ফলত আল্লাহ্ তা'লাৰ গৌৰৱৰ উৎসাহ বৃদ্ধি পায় তেন্তে আমি সোনকালে ইয়াৰ পৰা বহু উপকৃত হ'ব পাৰিম সেই উত্তৰৰ পৰিৱৰ্তে যি চছিয়াল মিডিয়াত দি থাকে। সেয়েহে প্ৰতিজন আহমদীয়ে ইয়াৰ পৰা আঁতৰত থকা উচিত; কেতিয়াও এনেকুৰা কথা নক'ব যি বিনা কাৰণতে শত্ৰুসকলক সুযোগ দিয়া হয় যে তেওঁলোকে কয় যে আহমদী সকলে এয়া কৈছে সেয়া কৈছে। আমাৰ চৰিত্ৰ বহু উচ্চ হোৱা উচিত, যাৰ চৰিত্ৰ উৰ্ধ পৰ্যায়ৰ নহয় তেওঁ হজৰত মছীহ্ মাওউদ (আঃ)ৰ দীক্ষা গ্ৰহণ কৰাৰ অধিকাৰ পালন কৰা নাই। গতিকে আমি নিজৰে পৰ্যালোচনা লোৱা উচিত আৰু চিন্তা-ভাৱনা কৰা উচিত। ভুল উত্তৰ দিয়াৰ পৰিৱৰ্তে দোৱাৰ প্ৰতি মনোযোগ দিয়া দৰকাৰ। আল্লাহ্ তা'লা আমাৰ সকলোকে ইয়াৰ সৌভাগ্য দান কৰক আৰু বিৰোধীসকলৰ বেয়া তেওঁলোকৰ ওপৰতেই পৰক আৰু ইয়াৰ পৰা আমাক সুৰক্ষিত ৰাখক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O-ISHAAT QADIAN